**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। স্কীল ইণ্ডিয়া উদ্যমে অগণন লোকক উপকৃত কৰিছে, তেওঁলোকক নতুন উদ্যমেৰে সবল কৰি তুলিছে আৰু লোকসকলৰ বাবে ন-ন সুযোগৰ সৃষ্টি কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। দেশৰ অনন্য পৰিচয় প্ৰাধিকৰণ- UIDAIয়ে ৭ বছৰ ঊৰ্ধৰ শিশুসকলৰ বাধ্যতামূলক বায়'মেট্ৰিক উন্নীতকৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ আহ্বান জনাইছে।

৩। ভাৰতত আজি কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ দিন পালন কৰা হৈছে।

৪। ইৰানত থকা ভাৰতীয় দূতাবাসে ভাৰতীয় নাগৰিকসকলক ইৰানলৈ অপ্ৰয়োজনীয় যাত্ৰা পৰিহাৰ কৰিবলৈ আহ্বান জনাইছে। ***আৰু***

৫। টকিঅ'ত আজি জাপান অপেন ছুপাৰ ছেভেন ফিফ্‌টি বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হ'ব।

ooooo

স্কীল ইণ্ডিয়া উদ্যমে অগণন লোকক উপকৃত কৰিছে, তেওঁলোকক নতুন উদ্যমেৰে সবল কৰি তুলিছে আৰু লোকসকলৰ বাবে ন-ন সুযোগৰ সৃষ্টি কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী জয়ন্ত চৌধাৰীয়ে সামাজিক মাধ্যমত লিখা এটা প'ষ্টত সঁহাৰি জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই মন্তব্য প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে কয়, যে স্কীল ইণ্ডিয়া অভিযানে ১০ বছৰ সম্পূৰ্ণ কৰাৰ সময়তে চৰকাৰে এই অভিযানৰ জৰিয়তে দক্ষ আৰু স্বাৱলম্বী যুৱ শক্তি সৃষ্টি কৰাৰ প্ৰতিশ্ৰুতি দিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে এই অভিযানে দেশক বিকশিত ভাৰত হিচাপে নিৰ্মাণ কৰাৰ লক্ষ্যৰে যুৱচামক নতুন দক্ষতা আৰু বিশ্বৰ শ্ৰেষ্ঠ পদ্ধতিসমূহৰ জৰিয়তে দক্ষ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যক শক্তিশালী কৰি তুলিছে।

ooooo

প্ৰধানমন্ত্ৰীয়ে সেউজ আৰু বহনক্ষম ভৱিষ্যত গঢ়াৰ বাবে থকা ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতা আৰু প্ৰচেষ্টাৰ প্ৰশংসা কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে সামাজিক মাধ্যমত লিখা এটা প'ষ্টৰ প্ৰতি সঁহাৰি জনাই শ্ৰীমোদীয়ে কয়, যে ২০৩০ বৰ্ষৰ লক্ষ্যৰ পাঁচ বছৰ পূৰ্বেই দেশে অজীৱাশ্ম ইন্ধন সামৰ্থৰ ৫০ শতাংশ লক্ষ্য সম্পূৰ্ণ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি বিয়লি উত্তৰাখণ্ডৰ পিথোৰাগড়ত সংঘটিত পথ দুৰ্ঘটনাত ৮ গৰাকী লোকে প্ৰাণ হেৰুওৱাক লৈ শোক প্ৰকাশ কৰিছে। দুৰ্ঘটনাটোত চাৰিগৰাকী লোক গুৰুতৰভাৱে আহত হোৱাৰ বাতৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে নিজৰ বাৰ্তাত আহতসকলৰ আশু আৰোগ্য কামনা কৰাৰ লগতে মৃতকৰ আত্মীয়লৈ সমবেদনা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা

প্ৰতিগৰাকী নিহত ব্যক্তিৰ আত্মীয়লৈ ২ লাখ টকাকৈ আৰু প্ৰতিগৰাকী আহত ব্যক্তিক ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে।

উল্লেখযোগ্য যে কালি বিয়লি পিথোৰাগড় জিলাৰ মুৱানি অঞ্চলৰ থাল পিথোৰাগড় পথৰ পৰা এখন বাহন নদীত পৰাৰ ফলত এই শোকাবহ দুৰ্ঘটনাটো সংঘটিত হয়। ঘটনাটোত আহত লোকসকলক ততাতৈয়াকৈ নিকটৱৰ্তী চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে ঘটনাটোক লৈ গভীৰ শোক প্ৰকাশ কৰে আৰু জিলা প্ৰশাসনক আহত লোকসকলৰ যথোচিত চিকিৎসা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

দেশৰ অনন্য পৰিচয় প্ৰাধিকৰণ- UIDAIয়ে ৭ বছৰ আৰু ইয়াৰ উৰ্ধৰ শিশুসকলৰ বাধ্যতামূলক বায়'মেট্ৰিক উন্নীতকৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ পিতৃ-মাতৃ তথা অভিভাৱকসকলৰ প্ৰতি আহ্বান জনাইছে। ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি বৰ্তমানৰ নীতি-নিৰ্দেশনাৰ অধীনত শিশুৰ বিকাশগত কাৰণত পৰিচয় চিনাক্তকৰণৰ ক্ষেত্ৰত ৫ বছৰ বয়সৰ তলৰ শিশুসকলক আঙুলিৰ চাপ অথবা চকুৰ মণিবলয়ৰ পৰীক্ষাৰ পৰা ৰেহাই দিয়া হৈছে। অৱশ্যে শিশুটিৰ বয়স ৫ বছৰ হোৱাৰ লগে লগে বায়'মেট্ৰিক উন্নীতকৰণ প্ৰক্ৰিয়া বাধ্যতামূলক কৰা হৈছে আৰু ৫ৰ পৰা ৭ বছৰৰ ভিতৰত এই প্ৰক্ৰিয়া সম্পূৰ্ণ বিনামূলীয়া বুলিও মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰিছে। UIDAIয়ে বাধ্যতামূলক বায়'মেট্ৰিক উন্নীতকৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ উদ্দেশ্যে এনে শিশুৰ বাবে পঞ্জীয়নভুক্ত মোবাইল নম্বৰলৈ ইতিমধ্যে এছ এম এছ বাৰ্তা প্ৰেৰণ কৰিছে।

০০০০০

ভাৰতত আজি কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ দিন পালন কৰা হৈছে। আজি কৃত্ৰিম বুদ্ধিমত্তাৰ গোলকীয় প্ৰেক্ষাপটত ভাৰতৰ ক্ৰমবৰ্ধমান ভূমিকা উদযাপন কৰা হ'ব। বেংগালুৰু আৰু হায়দৰাবাদৰ লেখীয়া প্ৰযুক্তিৰ কেন্দ্ৰবিন্দু হিচাপে চিহ্নিত নগৰসমূহৰ পৰা আৰম্ভ কৰি গ্ৰামাঞ্চললৈকে কৃত্ৰিম বুদ্ধিমত্তাই স্বাস্থ্য সেৱা, শিক্ষা, কৃষি, প্ৰশাসন, উদ্যোগ আদি সকলো ক্ষেত্ৰতে ইতিমধ্যে বিপ্লৱৰ সূচনা কৰিছে। চৰকাৰৰ সকলোৰে বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ লক্ষ্য আৰু ইয়াৰ বাবে থকা ৰাষ্ট্ৰীয় কৌশলৰ জৰিয়তে কেৱল আৰ্থিক বিকাশৰ বাবেই নহয়, বৰং জীৱন-ধাৰণৰ মান উন্নীতকৰণ, সৰ্বাত্মক অন্তৰ্ভুক্তি নিশ্চিতকৰণ আৰু সমতাৰ বিকাশৰ বাবেও কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ কৰা হৈছে। উল্লেখযোগ্য যে ৬০ৰ দশকত প্ৰাৰম্ভিক কম্পিউটাৰ বিজ্ঞান গৱেষণাৰ জৰিয়তে কৃত্ৰিম বুদ্ধিমত্তাৰ জগতত ভাৰতৰ যাত্ৰাৰ আৰম্ভণি হৈছিল।

০০০০০

ইৰানত থকা ভাৰতীয় দূতাবাসে ভাৰতীয় নাগৰিকসকলক ইৰানলৈ অপ্ৰয়োজনীয় যাত্ৰা পৰিহাৰ কৰিবলৈ আহ্বান জনাইছে। শেহতীয়া কেইবাটাও সপ্তাহজুৰি অঞ্চলটোত নিৰাপত্তাজনিত উদ্বেগ বৃদ্ধি পোৱাৰ মাজতে এই ভ্ৰমণ পৰামৰ্শাৱলী জাৰি কৰা হৈছে। সামাজিক মাধ্যমৰ এটা প'ষ্টত দূতাবাসে ভাৰতীয় নাগৰিকসকলক দেশখনলৈ অদৰকাৰী ভ্ৰমণৰ পূৰ্বে পৰিৱৰ্তিত পৰিস্থিতিৰ বিষয়ে সূক্ষ্মভাৱে বিবেচনা কৰিবলৈ পৰামৰ্শ দিছে। ইয়াৰ লগতে শেহতীয়া আঞ্চলিক ঘটনাক্ৰম নিৰীক্ষণ কৰিবলৈ আৰু ভাৰতীয় কৰ্তৃপক্ষই জাৰি কৰা নতুন পৰামৰ্শাৱলী মানি চলিবলৈও দূতাবাসে নাগৰিকসকলক আহ্বান জনাইছে।

বৰ্তমান ইৰানত থকা আৰু ভাৰতলৈ উভতি আহিবলৈ বিচৰা ভাৰতীয় নাগৰিকসকলৰ বিষয়ে উল্লেখ কৰি দূতাবাসে কয়, যে তেনে লোকসকলে বৰ্তমান উপলব্ধ থকা বাণিজ্যিক বিমান আৰু জাহাজৰ সুবিধা গ্ৰহণ কৰিব পাৰে।

ooooo

বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা সত্যজিৎ ৰায়ৰ পূৰ্বপুৰুষৰ সম্পত্তি ভাঙি পেলোৱাৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ নতুন দিল্লীয়ে ঢাকাৰ প্ৰতি আহ্বান জনাইছে। বাংলা সাংস্কৃতিক নৱজাগৰণৰ প্ৰতীক হিচাপে চিহ্নিত এই ঐতিহাসিক ভৱনটো সংৰক্ষণ কৰাৰ বাবে বাংলাদেশক সহায়ৰ হাত আগবঢ়াবলৈও ভাৰত প্ৰস্তুত বুলি ইতিমধ্যে ঘোষণা কৰা হৈছে।

মৈমনসিঙত থকা এই বিখ্যাত ভৱনটো ভাঙি পেলোৱাৰ পদক্ষেপক গভীৰ দুখৰ বিষয়ে হিচাপে অভিহিত কৰি ভাৰতে বাংলাদেশক এই ভৱনটোক এটা সংগ্ৰহালয়লৈ ৰূপান্তৰ কৰাৰ লগতে তাক উভয় দেশৰ একেধৰণৰ সংস্কৃতিৰ প্ৰতীক হিচাপে গঢ়ি তুলিবলৈ ঢাকাক আহ্বান জনায়। ভাৰতে লগতে ইয়াৰ বাবে সম্পূৰ্ণ সহযোগিতাৰো প্ৰতিশ্ৰুতি দিয়ে। এই ভৱনটো সত্যজিৎ ৰায়ৰ ককাক তথা প্ৰখ্যাত সাহিত্যিক উপেন্দ্ৰ কিশোৰ ৰয় চৌধুৰীৰ সম্পত্তি আছিল। সম্প্ৰতি ভালদৰে যত্ন নোলোৱা এই ভৱনটো বাংলাদেশ চৰকাৰৰ মালিকানাধীন। দেশখনৰ কৰ্তৃপক্ষই এই ভৱনটো ভাঙি পেলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰি পোৱাৰ পাছতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে বিহাৰ, কৰ্ণাটকৰ উপকুলীয় অঞ্চল, পূব মধ্য প্ৰদেশ, পূব ৰাজস্থান, পূব উত্তৰ প্ৰদেশ, জম্মু-কাশ্মীৰ, লাডাখ, কেৰালা, মাহে আৰু ঝাৰখণ্ডত আজি ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। ইয়াৰ লগতে অহা ২-৩ দিনত ওড়িশা, পাঞ্জাব, পশ্চিমবংগ, ছিকিম, তামিলনাডু, পুডুচেৰী আৰু উত্তৰাখণ্ডৰ অঞ্চল বিশেষে প্ৰবল বৃষ্টিপাতৰ সম্ভাৱনা আছে বুলিও বিভাগে লগতে প্ৰকাশ কৰিছে। আনহাতে অন্ধ্ৰপ্ৰদেশত আজি গ্ৰীষ্ম প্ৰবাহ অব্যাহত থাকিব বুলিও বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

ooooo

টকিঅ'ত আজি জাপান অপেন ছুপাৰ ছেভেন ফিফ্‌টি বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত অলিম্পিকত দুবাৰকৈ পদক অৰ্জন কৰা পি ভি সিন্ধুৱে দেশৰ প্ৰত্যাশাৰ ভৰ বহন কৰিব। প্ৰথম ৰাউণ্ডত খেলুৱৈগৰাকীয়ে দক্ষিণ কোৰিয়াৰ চিম য়ু-জিনৰ বিৰুদ্ধে খেলিব। ইপিনে পুৰুষৰ ডাবলছত আগশাৰীৰ খেলুৱৈদ্বয় সাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু ছিৰাগ চেট্টীয়ে ভাৰতৰ হৈ প্ৰতিদ্বন্দ্বিতাত নামিব। সম্প্ৰতি বিশ্বক্ৰমৰ পঞ্চদশ স্থানত থকা ভাৰতীয় যুটীটো প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডত কোৰিয়াৰ কাং মিন হ্য'ক আৰু কী ডং জুৰ মুখামুখি হ'ব।

পুৰুষৰ ছিংগলছত দেশৰ হৈ ভাগ ল'বলগীয়া আৰু সম্প্ৰতি বিশ্বক্ৰমৰ অষ্টাদশ স্থানত থকা লক্ষ্যসেন প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডত চীনৰ ৱাং ঝেং জিঙৰ সন্মুখীন হ'ব।

ooooo

ভাৰতৰ ২০ বছৰ অনূৰ্ধৰ মহিলা ফুটবল দলটো আজি তাছখণ্ড ড'স্টলিক ষ্টেডিয়ামত উজবেকিস্তানৰ বিৰুদ্ধে দ্বিতীয় তথা অন্তিমখন প্ৰীতি খেলত অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে সোমবাৰে দেশ দুখনৰ মাজত অনুষ্ঠিত প্ৰথমখন প্ৰীতি খেল ১-১ গ'লত অমিমাংসিত হৈ ৰৈছিল। খেলখনৰ ৭৯ মিনিটত ভাৰতৰ হৈ সুলঞ্জনা ৰাউলে একমাত্ৰ গ'লটো দিছিল।

অহা মাহত হ'বলগীয়া মহিলাৰ ২০ বছৰ অনূৰ্ধৰ এ এফ চি এছিয়ান কাপ কোৱালিফায়াৰ্ছত অংশগ্ৰহণৰ প্ৰস্তুতি হিচাপে ভাৰত আৰু উজবেকিস্তানে এই খেলদুখনত অংশ লৈছে। কোৱালিফায়াৰ্ছত ভাৰতে ইণ্ডোনেছিয়া, তুৰ্কমেনিস্তান আৰু ম্যানমাৰৰ বিৰুদ্ধে খেলিব। ইপিনে গ্ৰুপ-জিত স্থান লাভ কৰা উজবেকিস্তানে বাহৰেইন, উত্তৰ মাৰিয়ানা দ্বীপপুঞ্জ আৰু জৰ্ডানৰ মুখামুখি হ'ব। প্ৰতিযোগিতাৰ পৰা নিৰ্বাচিত দলসমূহে অহা বছৰ থাইলেণ্ডত হ'বলগীয়া চূড়ান্ত প্ৰতিযোগিতাত অংশগ্ৰহণৰ যোগ্যতা অৰ্জন কৰিব।

ooooo

ভাৰতৰ পুৰুষ-এ হকী দলটো কালি নেডাৰলেণ্ডছৰ আমষ্টেলভিনত অনুষ্ঠিত এখন খেলত বিশ্বক্ৰমৰ পঞ্চম স্থানৰ ইংলেণ্ডৰ বিৰুদ্ধে ২-৩ গ'লত পৰাস্ত হয়। এয়া হ'ল ইউৰোপ ভ্ৰমণৰত ভাৰতীয় দলটোৰ ক্ৰমাগত দ্বিতীয়টো পৰাজয়। খেলখনত ভাৰতৰ হৈ মনিন্দৰ সিং আৰু উত্তম সিঙে এটাকৈ গ'ল দিয়ে।

ভাৰতীয় দলটো পৰৱৰ্তী খেলখন বৃহস্পতিবাৰে বেলজিয়ামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বেলজিয়ামৰ এণ্টৱাৰ্পত অনুষ্ঠিত হ'ব। স্বদেশলৈ উভতি অহাৰ পূৰ্বে ভাৰতীয় দলটো অহা শুকুৰবাৰ আৰু দেওবাৰে পুনৰ নেডাৰলেণ্ডছৰ মুখামুখি হ'ব।

ooooo

সমাপ্ত